# দেওপাহাৰৰ ভগ্নস্তূপত

# দেওপাহাৰৰ ভগ্নস্তূপত

অৰূপা পটঙ্গীয়া কলিতা

চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১

DEOPAHARAR BHAGNASTOOPAT
A Collection of Assamese short stories
written by Arupa Patangia Kalita
and published by Dr. Rabindra Mohan Sarma
on behalf of **Chandra Prakash**, Panbazar, Guwahati -1

---

প্ৰকাশক
ডাঃ ৰবীন্দ্ৰ মোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ
পানবজাৰ, গুৱাহাটী-১
দূৰভাষ ঃ ০৩৬১ ২৫১১৯৪৬
প্ৰথম প্ৰকাশ ঃ ফেব্ৰুৱাৰী, ১৯৯৯ চন
দ্বিতীয় প্ৰকাশ ঃ জানুৱাৰী, ২০০৯ চন
মূল্য ঃ ১০০/- টকা
বেটুপাত ঃ ৰাজকুমাৰ মজিন্দাৰ
মুদ্ৰণ ঃ অৰোৰা ফাইন আৰ্টছ
বামুণীমৈদাম, গুৱাহাটী-২১

OF ASSAM

শ্ৰীযুত নলিনীধৰ ভট্টাচাৰ্যদেৱৰ

হাতত

— অৰূপা

# আগকথা

শ্ৰদ্ধেয় চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱে 'গৰীয়সী'ৰ কাৰ্যালয়তে এদিন কথা প্ৰসংগত মোৰ এখন নতুন গল্প সংকলন প্ৰকাশ কৰাৰ কথা ক'লে আৰু তেখেতৰ অভ্যস্ত তৎপৰতাৰে লগে লগেই 'সাহিত্য-প্ৰকাশ'ৰ শ্ৰীযুত ৰজনীকান্ত দেৱশৰ্মাৰ সৈতে যোগাযোগ কৰি দিয়ে। শ্ৰীযুত দেৱশৰ্মায়ো প্ৰস্তাৱটো আগ্ৰহেৰে গ্ৰহণ কৰিলে। শ্ৰীযুত শইকীয়াদেৱৰ মোৰ সাহিত্যকৰ্মৰ প্ৰতি থকা আগ্ৰহৰ বাবে আন্তৰিক ধন্যবাদ জনালো। 'সাহিত্য-প্ৰকাশ'ৰ শ্ৰীযুত ৰজনীকান্ত দেৱশৰ্মাদেৱে অতিশয় ধৈৰ্য আৰু আগ্ৰহেৰে সংকলনখনি প্ৰকাশ কৰি উলিয়ালে— তেখেতলৈয়ো ধন্যবাদ জ্ঞাপন কৰিলো।

সংকলনখনিৰ প্ৰায়খিনি গল্পই নবৈৰ দশকত লিখা। মোৰ আগৰ গল্পবোৰৰ দৰে এইবোৰেও পাঠক-সমালোচকৰ আদৰ পাব বুলি আশা কৰিলো।

— অৰূপা পটঙ্গীয়া কলিতা

# সূচী

বগামাটি থানৰ ভোগী /১
দৈৱকীৰ দিন /৯
ডাঙৰ নবৌ /২১
এলবাৰ্ট মাল্টজৰ শিশুকেইটা /৩১
আইতাৰ সাধু /৩৮
কেতিয়াবা নুমলী এদিন /৫০
কন্যা জায়া মাতৃ /৭১
আই /৭৬
উত্তৰাধিকাৰ /৮৭
মৰীচিকা /১০৪
ৰত্নাকৰৰ পাপ /১১৯
দেৱী মেডনা /১২৭
নিমন্ত্ৰণ /১৩৯
এবা সূতাৰ সাঁকো /১৪৯
মৃত্যু /১৬২
দেওপাহাৰৰ ভগ্নস্তূপত /১৭১

# বগামাটি থানৰ ভোগী

**ৰা**স্তা বুলি ক'ব নোৱাৰি, মানুহ-জীৱ-জন্তু অহা-যোৱা কৰি উলিওৱা ওখোৰা-মোখোৰা গাঁতেৰে ভৰা অলপ মুকলি ঠাই। জীপখনে বৰ থেকেচিছে। সোঁ-সোঁৱাই বলা বতাহৰ বালিৰে গোটেইখন ধূঁৱলি-কুঁৱলী। বহাগ মাহ সোমালহি, তথাপি এটোপা বৰষুণ পৰা নাই। আকাশত মেঘ, কিন্তু বতাহে মেঘক তৃষিত পৃথিৱীলৈ নামিবলৈ দিয়া নাই। বেলিৰ পোহৰ মেঘে ঢাকি ৰাখিছে। গোমা আকাশৰ তলত ৰুক্ষ বতাহে পকাই পকাই কাটি তহিলং কৰা হাবিখনত ঘূৰি ফুৰিছে, একোবাৰ দ'ম খাই থকা শুকান পাতবোৰ লৈ পাক খাই খাই ওপৰলৈ উঠিছে আকৌ নামি আহিছে। কেউপিনে মুকলি, চকুৰে নমনালৈ কেৱল গছৰ কটা মূঢ়া, অ'ত-ত'ত কাটি দ'মাই থোৱা গছৰ ডাল। অনুমান কৰিব পাৰি, এইখন এখন ঘন অৰণ্য আছিল, জীৱ-জন্তু চৰাই-চিৰিকটিৰে ঠাহ খাই আছিল। কম দিনৰ ভিতৰতে এই অৰণ্য শেষ কৰা হৈছে। গছৰ মূঢ়াবোৰ সতেজ হৈয়ে আছে, দ'ম খাই থকা ডাল-পাতবোৰৰ সেউজীয়া ৰং ক'ৰবাত ক'ৰবাত এতিয়াও আছে। ধূলিৰ মাজত পোত খাই থকা বিধ্বস্ত অৰণ্যত কিছুমান অৰ্ধনগ্ন মানুহ মাক মৰা কুকুৰা পোৱালিৰ দৰে পিলপিলাই ফুৰিছে। এইবোৰ অৰণ্যৰ সন্তান আছিল। সৌ কাঠ ফালি থকা কৃষ্ণবৰ্ণ ডেকাকেইটা, বাকী ৰোৱা দুই-এজোপা গছত কুঠাৰ চলাই থকা মানুহকিটা, ফালি পেলোৱা তক্তা ইঠাইৰ পৰা সিঠাইলৈ কঢ়িয়াই থকা ল'ৰাকিটা ঃ প্ৰায় নগ্ন মানুহবোৰৰ মুখত এজোপা এজোপা বগৰাই দিয়া গছৰ যাতনা। মানুহবোৰে আমাৰ জীপখনলৈ চোৱা নাই, সিহঁত এই ধৰণৰ গাড়ীৰ লগত অভ্যস্ত হৈ পৰিছে।

বাটটো লাহে লাহে অঁকোৱা-পকোৱা হৈ আহিছে। সোঁফালে পাহাৰ, বাওঁফালে ৰঙা নৈ। পাহাৰৰ মাটিৰ ৰং অদ্ভুতভাৱে বগা। নৈখনৰ ৰং ইমান ক'লা! ওহো, এয়া